# Assamese Department, Nonoi College

**Alumni Meet/2021**

## নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ
## ১৯ জানুৱাৰি ২০২১

আজি ইংৰাজী ১৯ জানুৱাৰি ২০২১ তাৰিখে নৈ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ এখনি প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন অনুষ্ঠিত হয় । মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মা সভাপতিত্ব অনুষ্ঠিত সন্মিলখনিত বিভাগটোৰ বহুসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে । প্ৰতিদিন টাইম নিউজ চ্যানেলৰ নগাঁৱৰ সাংবাদিক বীৰেন বৰাই বিভাগৰ প্ৰাচীৰ পত্ৰিকা **'অনুশীলন'** উন্মোচন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত এনেধৰণৰ কাৰ্যসূচীবোৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে বুলি উল্লেখ কৰে । অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুণু দেৱীয়ে আদৰণী ভাষণেৰে অভ্যাগত সকলোকে আদৰণি জনায় কয় যে সাম্প্ৰতিক সময়ত উচ্চশিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ নতুন ব্যৱস্থা প্ৰণালীয়ে আমাক এটি সাংস্কৃতিক পৰিয়ালৰ দৰে বান্ধি ৰাখিছে । আমি সকলোৱে মিলি অসমীয়া বিভাগটোক আগুৱাই নিব লাগিব । বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাই নিজৰ কলাসুলভ ভংগিমাৰে গীত আৰু কথাৰে মোহিত কৰে । সন্মিলনখনিত প্ৰাক্তন ছাত্ৰী ভাগ্যশ্ৰী বৰা, শিৱানী মহন্ত, লিপি বৰা, সংগীতা কাকতি, তৰালি বৰা; প্ৰাক্তন ছাত্ৰ  ৰূপম শইকীয়া আৰু ভূপেন শইকীয়া নিজৰ বক্তব্য প্ৰকাশত নৈ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণৰ অভিজ্ঞতা আৰু শিক্ষাগুৰুসকলৰ আন্তৰিক সহযোগিতাক আন্তৰিকতাৰে স্বীকাৰ কৰে । সদৌ শেষত সভাপতি মহোদয়াই নৈ মহাবিদ্যালয়ৰ সকলো কাৰ্যসূচীতে প্ৰাক্তন শিক্ষাৰ্থী সকলৰ সহযোগ কামনা কৰি সাৰুৱা ভাষণেৰে সভা সমাপন ঘোষণা কৰে । অনুষ্ঠানত নৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে ফাৰুক শ্বিয়াৰ, কল্যাণ নাথ, সাগৰ চুবেদী, মেৰী ৰাণী দেৱী, সুকন্যা বৰা আৰু কৰ্মচাৰী পুলিন মুদৈ, অমৃত মুদৈ প্ৰমুখ্যে প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে ।

**Assamese Department, Nonoi College**
**Alumni Meet /19th january, 2021**

## Photographs:




**Banner of Alumni meet**




**Inauguration Programmee of Wall Magazine**